**অসম বিধান সভাৰ অধিবেশন – ২০২৬**
**মৌখিক উত্তৰৰ বাবে প্ৰশ্ন নং: ৮৮**
**উত্তৰ দিয়াৰ তাৰিখ: ১০/০৭/২০২৬**

বিষয়: ৰাজহ গাঁওলৈ উন্নীতকৰণ সম্পৰ্কে

শ্ৰী সুৰেন ফুকন:

মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ডিগবৈ সমষ্টিৰ অন্তৰ্গত এতিয়াও ১০০ শতাংশ খিলঞ্জীয়া ভূমিপুত্ৰ লোকে বসবাস কৰা বহু কেইখন বনগাঁও ৰাজহ গাঁওলৈ উন্নীতকৰণ হোৱা নাই, এই গাঁও সমূহক ৰাজহ গাঁওলৈ উন্নীত কৰাৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি?

**<u>উত্তৰ</u>**

মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী শ্ৰী কেশৱ মহন্ত দেৱে উত্তৰ দিছে –

অসম চৰকাৰৰ পৰিবেশ, বন আৰু জলবায়ু পৰিবৰ্তন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি বন গাঁওসমূহক ৰাজহ গাঁওলৈ ৰূপান্তৰ কৰাৰ বিষয়টো বন অধিকাৰ আইন, ২০০৬ (Forest Rights Act, 2006)-ৰ অধীনত স্বীকৃত অধিকাৰৰ অন্তৰ্গত। এই আইনৰ জৰিয়তে বনাঞ্চলত বসবাস কৰা অনুসূচীত জনজাতি (Forest Dwelling Scheduled Tribes) আৰু অন্যান্য পৰম্পৰাগত বনবাসী (Other Traditional Forest Dwellers)-সকলৰ অধিকাৰ স্বীকৃতি প্ৰদান কৰা হয়।

বন অধিকাৰ আইন, ২০০৬ (Forest Rights Act, 2006) ৰ অধীনত, সংশ্লিষ্ট বন গাঁও বা গাঁও সভাৰ (Gaon Sabha) পৰা অহা বন অধিকাৰ নিষ্পত্তিৰ প্ৰস্তাৱসমূহ মহকুমা স্তৰীয় সমিতিৰ (Sub-Divisional Level Committee) পৰামৰ্শৰ ভিত্তিত জিলা স্তৰীয় সমিতিয়ে (District Level Committee) অনুমোদন জনোৱাৰ ব্যৱস্থা আছে।

**************************